জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৮০০/২০২০

# উজনি মাজুলী ৰাজহ চক্ৰৰ শুভ উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে

## উজনি মাজুলীৰ খহনীয়া প্ৰতিৰোধৰ চাৰিখন গুৰুত্বপূৰ্ণ আঁচনিৰ কাম-কাজৰ শুভাৰম্ভ কৰিলে মুখ্যমন্ত্ৰীয়ে

## ২০১৬ চনৰ পূৰ্বৰ মাজুলী আৰু আজিৰ মাজুলীৰ তুলনামূলক বিশ্লেষণে প্ৰতিপন্ন কৰিব উন্নয়নৰ এক সঁচা প্ৰতিচ্ছবি ঃ মুখ্যমন্ত্ৰী

## মহিলা সৱলীকৰণৰ দিশত এক নতুন মাত্ৰা প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে উদ্বোধন কৰিলে মাজুলীৰ নয়াবজাৰৰ মহিলা বজাৰ

**দিছপুৰ, ২৯ নৱেম্বৰ ঃ** ভূমি ৰাজহ ব্যৱস্থাপনা প্ৰক্ৰিয়াক জনমুখী কৰাৰ লক্ষ্যৰে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি নৱগঠিত উজনি মাজুলী ৰাজহ চক্ৰ আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰাৰ উপৰি উজনি মাজুলী অঞ্চলক বান আৰু খহনীয়াৰ পৰা সুৰক্ষিত কৰাৰ উদ্দেশ্যে চাৰিখন গুৰুত্বপূৰ্ণ আঁচনিৰ কাম-কাজ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে। ইয়াৰ উপৰি আজিৰ এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগে গাঁওবুঢ়াসকললৈ প্ৰদান কৰা স্মাৰ্ট ফোন মাজুলীৰ গাঁওবুঢ়াসকলক আনুষ্ঠানিকভাৱে প্ৰদান কৰাৰ উপৰি পৰিবহন বিভাগৰ অধীনত 'মুখ্যমন্ত্ৰীৰ গ্ৰাম্য পৰিবহন আঁচনি'ৰ মাজুলীৰ হিতাধিকাৰীসকলক লঘু যান-বাহন প্ৰদানৰ কাৰ্যসূচীও গাড়ীৰ ছাবি প্ৰদানেৰে শুভাৰম্ভ কৰে।

উল্লেখ্য যে শালমৰা মৌজাক সামৰি লোৱা নৱগঠিত উজনি মাজুলী ৰাজহ চক্ৰটোৰ মুঠ মাটিকালি হৈছে ১৮৭.৯০ বৰ্গ কিঃমিঃ। উজনি মাজুলীৰ আঠখন গাওঁ পঞ্চায়ত ক্ৰমে ৰঙাচাহী, শ্ৰীৰাম, চেৰেপাই, ৰতনপুৰ মিৰি, ৰতনপুৰ গায়ন, জেংৰাই, ফুলনী আৰু লুইতপৰীয়া গাওঁ পঞ্চায়ত এই নতুন ৰাজহ চক্ৰটোৰ এলেকাভুক্ত হৈছে। ৰাজহ বিভাগৰ নথি অনুসৰি এই ৰাজহ চক্ৰটোৰ অধীনত ৮০ খন ৰাজহ গাঁও অন্তৰ্ভুক্ত হৈছে যদিও ইয়াৰে ১৩ খন ৰাজহ গাঁও ইতিপূৰ্বে খহনীয়াত জাহ গৈছে। বৰ্তমান ৰাজহ চক্ৰটোত আছে ১৩ টা লাট। ২০১১ চনৰ লোকপিয়লৰ তথ্য অনুসৰি উজনি মাজুলী ৰাজহ চক্ৰ এলেকাৰ জনসংখ্যা ৭৯,৬৭৭ গৰাকী যদিও বৰ্তমান আনুমানিক জনসংখ্যা হৈছে ৭২ হাজাৰ গৰাকী। তদুপৰি ৰাজহ চক্ৰটোৰ এলেকাত মুঠ ১০,১৭০ টা পৰিয়ালে বাস কৰি আছে।

আজিৰ অনুষ্ঠানত মুখ্যমন্ত্ৰীয়ে উজনি মাজুলীত বান আৰু খহনীয়া প্ৰতিৰোধৰ বাবে জলসম্পদ বিভাগে ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা পুঁজিৰ মুঠ ৯.১০ কোটি টকা ব্যয়েৰে ৰূপায়ণ কৰিবলৈ লোৱা চাৰিখন খহনীয়া প্ৰতিৰোধ আঁচনিৰ ৰূপায়ণ কাৰ্যও শুভাৰম্ভ কৰে। জলসম্পদ বিভাগৰ এই আঁচনিকেইখনে জেংৰাইমুখ অঞ্চলত খেৰকটীয়া নদীৰ খহনীয়া প্ৰতিৰোধৰ লগতে বৃহত্তৰ উজনী মাজুলীৰ বিস্তৃৰ্ণ এলেকা

বান আৰু খহনীয়াৰ কৱলৰ পৰা সুৰক্ষিত কৰিব। তদুপৰি, আজিৰ এই অনুষ্ঠানতেই পৰিবহন বিভাগৰ অভিলাষী আঁচনি মুখ্যমন্ত্ৰীৰ গ্ৰাম্য পৰিবহন আঁচনিৰ অধীনত বাছনি কৰা মাজুলী জিলাৰ হিতাধিকাৰী সকলৰ মাজত ৰাজসাহায্য যুক্ত লঘু বাহন প্ৰদান প্ৰক্ৰিয়া মুখ্যমন্ত্ৰীয়ে আনষ্ঠানিকভাৱে শুভাৰম্ভ কৰে। উল্লেখ্য যে এই আঁচনিৰ অধীনত প্ৰথম পৰ্যায়ত মাজুলীৰ ২৩ গৰাকী হিতাধিকাৰীক স্বনিয়োজনৰ সহায়ক হোৱাকৈ লঘু বাহন প্ৰদানৰ বাবে নিৰ্বাচিত কৰা হৈছে।

এই উপলক্ষে জেংৰাইমুখ উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত আয়োজিত ৰাজহুৱা সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয় যে ২০১৬ বৰ্ষৰ আগৰ মাজুলী আৰু আজিৰ মাজুলীক তুলনা কৰিলে জনসাধাৰণে মাজুলীক বিগত চাৰে চাৰি বছৰত চৰকাৰখনে সাধন কৰা উন্নয়নৰ এক সঁচা প্ৰতিচ্ছবি লাভ কৰিবলৈ সক্ষম হ'ব। এটকা মহন্তৰ স্থান মাজুলীৰ আধ্যাত্মিক, বাৰেৰহণীয়া সাংস্কৃতিক বাতাৱৰণ, উৰ্বৰ ভূমিৰে সমৃদ্ধ মাজুলীৰ বহু সম্পদ আৰু সম্ভাৱনা আছে বুলি উল্লেখ কৰি এই সম্পদ আৰু সম্ভাৱনাসমূহ বিকশাই তুলি বিশ্বৰ মানচিত্ৰত মাজুলীক এক শক্তিশালী ৰূপত তুলি ধৰাৰ বাবে অহোপুৰুষাৰ্থ কৰাৰ দিশত সংকল্পৱদ্ধ হ'বলৈ মাজুলীবাসীৰ প্ৰতি মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে ইয়াৰ বাবে কঠোৰ পৰিশ্ৰম আৰু সাধনাত ব্ৰতী হৈ ছাত্ৰ-ছাত্ৰীসকলক গভীৰ অধ্যয়ন কৰাৰ বাবে অনুপ্ৰাণিত কৰিবলৈও পিতৃ-মাতৃ, শিক্ষক-শিক্ষয়িত্ৰীকে ধৰি সকলোকে আহ্বান জনায়।

ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে প্ৰশাসনৰ বিকেন্দ্ৰীকৰণৰ অংশ হিচাপে মাজুলীৰ ৰাজহ চক্ৰৰ সংখ্যা দুটালৈ বৃদ্ধি কৰাৰ পদক্ষেপ, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে যোৰাহাট আৰু মাজুলীৰ দলং সংযোগী পথক ৰাষ্ট্ৰীয় ঘাইপথ হিচাপে কৰা ঘোষণাই মাজুলীৰ উন্নয়নক বিশেষ গতি প্ৰদান কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। এই দলং নিৰ্মাণকে ধৰি ৰাষ্ট্ৰীয় ঘাইপথৰ নিবিদা প্ৰক্ৰিয়া আৰম্ভ হৈ অচিৰেই কাম আৰম্ভ হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। পূৰ্বতে মাজুলীবাসীয়ে সৰু-সৰু কামৰ বাবে নদীৰ প্ৰতিকূল যাত্ৰাকো নেওচি যোৰহাটলৈ ঢাপলি মেলিব লগা হৈছিল বুলি উল্লেখ কৰি ২০১৬ বৰ্ষৰ পিছত বৰ্তমানৰ চৰকাৰে মাজুলীক জিলা হিচাপে উন্নীতকৰণৰ পদক্ষেপে মাজুলীক এক শক্তিশালী তথা নতুন ৰূপ দিলে বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

ভাষণৰ আৰম্ভণিতে মুখ্যমন্ত্ৰীয়ে পৱিত্ৰ ৰাস মহোৎসৱ উপলক্ষে সমগ্ৰ মাজুলীবাসীক শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে আগন্তুক সময়ত বৃহত্তৰ অসমৰ লগতে মাজুলীবাসী ৰাইজৰ কুশল-মঙ্গল কামনা কৰি ভগৱান শ্ৰীকৃষ্ণৰ ওচৰত প্ৰাৰ্থনা জনায়। বান আৰু খহনীয়া সমস্যা মাজুলীৰ জনসাধাৰণৰ এক ভয়ানক সমস্যা বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে ২০১৬ চনৰ পৰা বৰ্তমানৰ চৰকাৰখনে শাসনভাৰ লোৱাৰ পিছৰে পৰা এই সমস্যা সমাধানৰ বাবে নিৰৱচ্ছিন্ন পদক্ষেপ লৈ আহিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰীয়ে এই মথাউৰি নিৰ্মাণ কাৰ্যত জড়িত থকা ঠিকাদাৰসকলক দায়ৱদ্ধতাৰে মানসম্পন্ন কাম সম্পাদন কৰাৰ বাবে আহ্বান জনোৱাৰ উপৰি বৃহত্তৰ জেংৰাই মুখবাসী ৰাইজকো এই ক্ষেত্ৰত চোকা নজৰ ৰাখিবলৈ আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে লগতে জেংৰাইমুখত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হ'বলগীয়া মাজুলী ফুটবল ফেষ্টিভেলত জনসাধাৰণক আন্তৰিকতাৰে সহযোগ কৰাৰ বাবেও আহ্বান জনায়।

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

অনুষ্ঠানত ভাষণ প্ৰদান কৰি ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী যোগেন মহনে এতিয়া মাজুলীবাসীৰ পিছলৈ ছোৱাৰ সময় নহয় বুলি উল্লেখ কৰি মাজুলীৰ উন্নয়নে সমগ্ৰ মাজুলীকে এতিয়া জিলিকাই তুলিছে বুলি কয়। এটা সুকীয়া ৰাজহ চক্ৰৰ কাৰ্যালয় মুকলি কৰাটো আগতে মাজুলীবাসীৰ বাবে এক সপোনৰ দৰে আছিল যদিও আজি সেই সপোন দিঠকত পৰিণত হ'ল বুলিও তেওঁ কয়। বৰ্তমানৰ ৰাজ্য চৰকাৰখনে সকলো শ্ৰেণীৰ জনসাধাৰণক সামৰি লৈ এক সৰ্বব্যাপি উন্নয়নৰ যাত্ৰাৰ সূচনা কৰিছে বুলিও তেওঁ কয়।

অনুষ্ঠানত বক্তব্য প্ৰদান কৰি পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী নব কুমাৰ দলেই কয় যে ২০১৬ চনত মাজুলীক সুকীয়া জিলা হিচাপে ঘোষণাৰে বৰ্তমানৰ ৰাজ্য চৰকাৰখনে মাজুলীৰ সৰ্বাত্মক বিকাশৰ দিশত বিশেষ গুৰুত্ব আৰোপ কৰিছে। মন্ত্ৰীগৰাকীয়ে লগতে ১৮ কোটি টকা ব্যয়ৰে বেবেজিয়াৰ পৰা বামগাঁৱলৈ দুইলেন যুক্ত পথ নিৰ্মাণৰ কাম অলপতে আৰম্ভ হ'ব বুলিও কয়। তেওঁ লগতে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ এক অন্যতম আঁচনি 'আইদেউৰ বুলনি' ডিচেম্বৰ মাহৰ ভিতৰত আৰম্ভ কৰা হ'ব বুলিও কয়।

অনুষ্ঠানত লখিমপুৰ লোকসভা সমষ্টিৰ সাংসদ প্ৰদান বৰুৱাই ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী তথা স্থানীয় বিধায়ক সৰ্বানন্দ সোণোৱালৰ নেতৃত্বত বিগত চাৰে চাৰি বছৰত মাজুলীৰ উন্নয়নে বিশেষ মাত্ৰা লাভ কৰিবলৈ সক্ষম হৈছে বুলি মন্তব্য কৰে।

মাজুলী জিলাৰ অতিৰিক্ত উপায়ুক্ত অৰিন্দম বৰুৱাই আদৰণী ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত লাহোৱাল সমষ্টিৰ বিধায়ক ঋতুপৰ্ণ বৰুৱা, দেউৰী স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য মাধৱ দেউৰী, মাজুলী জিলা পৰিষদৰ সভানেত্ৰী পাপু দত্ত হাজৰিকা, আৰ্টফেডৰ উপাধ্যক্ষা ৰূপা কামান, জিলা উপায়ুক্ত বিক্ৰম কৈৰী, আৰক্ষী অধীক্ষক অপৰ্ণা নটৰাজন, অসম ক্ৰিকেট সন্থাৰ সভাপতি ৰমেন দত্ত, বিশিষ্ট সমাজকৰ্মী লোকনাথ কুটুমকে ধৰি বহুসংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে মাজুলীৰ নয়াবজাৰ পাঁচআলিত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ উদ্যোগত নতুনকৈ নিৰ্মাণ কৰা এখন মহিলা বজাৰো আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। চতুৰ্দশ বিত্তীয় আয়োগৰ অনুদানেৰে ২০১৮-১৯ বৰ্ষৰ দ্বিতীয় কিস্তিৰ ১৫.৩৪ লাখ টকা ব্যয়ৰে নিৰ্মাণ কৰা এই মহিলা বজাৰে অঞ্চলটোৰ মহিলাসকলৰ সৱলীকৰণৰ দিশত এক বিশেষ ভূমিকা পালন কৰিব। মুখ্যমন্ত্ৰীয়ে মহিলা ব্যৱসায়ীসকলৰ সৈতে বাৰ্তালাপ কৰি তেওঁলোকক উৎসাহ যোগোৱাৰ লগতে দুই-এপদ সামগ্ৰীও ক্ৰয় কৰে।

**বঃভাঃ / প্ৰঃকুঃবঃ**

**২৯/১১/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com

/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in